Vol 14 ■ Issue 4■ SWARNALIPI ■ May 2024 ■ Guwahati ■ Publication Date -7th of every month ■ Rs. 50/=
RNI REG NO.ASSASS/2011/37923■ISSN-2231-0517■Postal RN GH/134/2023-2025■ DAVP (Govt. of India), IPRD (Govt. of Assam) Approved.


## আমাৰ উল্লেখযোগ্য গ্ৰন্থসমূহ
### য'ত খোদিত জীৱন স্বপ্নৰ অনুৰণন







... 75769 05866

www.sambad24news.com

SAMBAD24

**Swarnalipi**
(Publications)
Swarnalipi Bhawan, H.No. 36, Mim Akashi Path,
Jyoti Nagar, P.O.- Bamunimaidam, Guwahati-781021
Email - swarnalipi2011@gmail.com , Ph-99571-83835

Website: www.swarnalipi.com
Books are available by :: SWARNALIPI @ Amazon.in:


Postal RN GH/134/2023-2025

A PEER REVIEWED MONTHLY JOURNAL
বৰ্ষ ১৪, সংখ্যা ৪ মে' ২০২৪ RNI- ASSASS/2011/37923 ISSN-2231-0517

# স্বৰ্ণলিপি

Vol 14 ■ Issue 4 ■ SWARNALIPI ■ May 2024, Guwahati



মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত
লিঙ্গ বৈষম্যকেন্দ্ৰিক মানৱতাবোধ



নৱকান্ত বৰুৱাৰ 'কপিলীপৰীয়া
সাধু'ত প্ৰকাশিত সামাজিক চিত্ৰ

অসম সাহিত্য সভাৰ
সভাপতিসকলৰ অভিভাষণত
প্ৰতিফলিত জাতীয় চেতনা

লিঙ্গবাদ আৰু লিঙ্গবাদী ভাষা

A Peer Reviewed Journal ₹50/-

Vol 14 ■Issue 4■SWARNALIPI ■MAY, 2024

RNI REG NO.ASSASS/2011/37923 ■ ISSN-2231-0517 ■ Postal RN GH/134/2023-2025

DAVP, Govt. of India & IPRD, Govt. of Assam Approved

# Swarnalipi

Literary & Socio-Cultural Monthly Research Journal in Assamese

**Swarnalipi Bhawan, 36 Mon Akashi Path, Jyoti Nagar**
**Guwahati-781021, Ph-99571-85835**
**Email:** swarnalipi2011@gmail.com
**Facebook Page** : swarnalipi
**Facebook Public Group** : Swarnalipi
**Facebook Private Group:** Swarnalipi Literary Group

Website: **www.swarnalipi.com**

# স্বৰ্ণলিপি

সাহিত্য সমাজ সংস্কৃতি-গৱেষণাধৰ্মী আলোচনী

বৰ্ষ ১৪ ■ সংখ্যা ৪ ■ মে', ২০২৪

## সূচীপত্ৰ

৫ সম্পাদকীয় ■ মূল্যায়নৰ ফল

### ধাৰাবাহিক উপন্যাস

৪৩ তমোহৰ ■ জয়ন্ত মাধৱ বৰা
৫৫ মৃত্যুস্নান■ ডঃ জ্যোতিপ্ৰসাদ শইকীয়া
৫৮ জীৱন জ্যামিতিৰ দিনলিপি■ ৰেণুপ্ৰভা হাজৰিকা
৬১ ৰামবাগিচা ৰাছষ্টেগু ■ ৰাজীৱ কুমাৰ ফুকন
৬৪ তেখাও লেইমা■ কৃষ্ণা শইকীয়া

### গৱেষণা-পত্ৰ

৭ নৱকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু'-ত প্ৰকাশিত সামাজিক চিত্ৰ ঃ এক অধ্যয়ন
■ ডঃ মহেশ্বৰ কলিতা, লীমা কলিতা
১৯ অসম সাহিত্য সভাৰ সভাপতিসকলৰ অভিভাষণত প্ৰতিফলিত জাতীয় চেতনা ঃ এক অধ্যয়ন■ জুমি বৰ্মন, ডঃ বিপুল মালাকাৰ
২৮ মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত লিঙ্গ বৈষম্যকেন্দ্ৰিক মানৱতাবোধ
■ তৰালী সূত্ৰধৰ, ডঃ বিমল মজুমদাৰ

### গ্ৰন্থ সমালোচনা

৩৭ ডঃ ৰুণজুন শইকীয়াৰ 'হীৰেন ভট্টাচাৰ্যৰ কবিতা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন'ত আধুনিক কবিতাৰ উত্তৰণ-যাত্ৰা■ চয়নিকা হাজৰিকা
৪০ ডঃ প্ৰফুল্ল কুমাৰ নাথৰ 'কৃষ্ণচূড়াৰ সপোন'ত ক্ষয়িষ্ণু সমাজৰ চিত্ৰণ
■ দীপ্তিময়ী বুঢ়াগোহাইি গগৈ

### প্ৰচ্ছদ-বিশেষ

১১ লিংগবাদ আৰু লিংগবাদী ভাষা ঃ অসমীয়া ভাষাৰ বিশেষ উল্লিখনসহ■ ডঃ বিশ্বজিৎ দাস

### ধাৰাবাহিক আত্মজীৱনী

৪৬ সোঁৱৰণীৰ শইচ ■ ডঃ পৰাগ কুমাৰ ভট্টাচাৰ্য
৫০ মৃৎ-অমৃত ■ ডঃ জ্যোতিৰেখা হাজৰিকা

### কবিতা

৩৪-৩৬
গাৰ্গী ভূঞা, ঋত্বিক পৰাশৰ, তপন বৰুৱা, উৎপল খনিকৰ , উমানন্দ কলিতা, মুনীন্দ্ৰ মহন্ত

অহা সংখ্যাত

।। ভবেন্দ্ৰ নাথ শইকীয়াৰ শিশু সাহিত্যত শিশু মনস্তত্ত্ব ঃ এক বিশ্লেষণাত্মক অধ্যয়ন, অসমীয়া আধুনিক গীতৰ প্ৰণালীবদ্ধ চৰ্চা আৰু সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা ।।
।। লগতে নিয়মীয়া শিতানসমূহ আছেই ।।

ব্যৱস্থাপনা ঃ অংশুমান গগৈ
শব্দগ্ৰন্থন ঃ নিৰঞ্জন শৰ্মা
সচিব ঃ ধৰিত্ৰী গোস্বামী

হৃদয়ানন্দ গগৈৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

Printed published and owned by Hridayananda Gogoi and Printed at Swarnalipi Offset Press, Swarnalipi Bhawan, 36 Mon Akashi Path, Jyoti Nagar, Bamunimaidam,Guwahati-781021, and published at 36 Mon Akashi Path, Jyoti Nagar, Bamunimaidam, Guwahati-781021. Ph: 9957185835, Email: swarnalipi2011@gmail.com

**Chief Editor : Hridayananda Gogoi**

ISSN-2231-0517
Swarnalipi ■ A Peer Reviewed Journal
RNI No.ASSASS/2011/37923
Vol 14 ■ Issue 4 ■ MAY, 2024

গৱেষণা

# লিংগবাদ আৰু লিংগবাদী ভাষা

## অসমীয়া ভাষাৰ বিশেষ উল্লিখনসহ

▸▸ডঃ বিশ্বজিৎ দাস

**প্ৰস্তাৱনা ঃ**

Sex অৰ্থাৎ লিংগ শব্দটোৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা Sexism আৰু Sexist শব্দদুটাৰ অসমীয়া পৰিভাষা হৈছে ক্ৰমে লিংগবাদ আৰু লিংগবাদী। শব্দদুটাৰ পোনপ্ৰথম ব্যৱহাৰ হৈছিল ১৯৬৩ চনত।[১] শব্দটোৰ সাধাৰণ অৰ্থ — এনে আচৰণ বা ব্যৱহাৰ বা বক্তব্য বা শাৰীৰিক ভাষা যাৰ প্ৰয়োগৰ দ্বাৰা বিশেষভাৱে কোনো লিংগক (বা বহুক্ষেত্ৰত সাধাৰণতে নাৰীক) প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে আঘাত কৰা হয়, অথবা লিংগ পাৰ্থক্যৰ বিয়োগাত্মক দিশসমূহ, যেনে— দুৰ্বল, পুৰুষতকৈ হীন ইত্যাদি দিশসমূহক আধাৰ কৰা বক্তব্য বা আচৰণ।

**১.১. বিষয়বস্তু ঃ**

লিংগবাদী ভাষাৰ আলোচনা বৰ্তমান সময়ত গুৰুত্বপূৰ্ণ আলোচনাৰ বিষয়। অৱশ্যে বিষয়টো তুলনামূলকভাৱে নতুন আৰু নাৰীবাদী আন্দোলনৰ বিশেষকৈ দ্বিতীয় তৰংগৰ পৰা সঘন আলোচিত। ইংৰাজীত লিংগ নিৰ্দেশ কৰিবলৈ আৰু এটা শব্দ আছে। শব্দটো হ'ল— Gender। অৱশ্যে, Sex আৰু Gender, দুয়োটা শব্দৰ অৰ্থ পৃথক। ইংৰাজী sex শব্দটোৱে জৈৱিকভাৱে থকা পাৰ্থক্যক বুজায়। অসমীয়া ভাষাত sex-ৰ সমাৰ্থক শব্দ লিঙ্গ। বিপৰীতে gender শব্দটোৱে সামাজিকভাৱে জৈৱিক পাৰ্থক্যৰ ওপৰত আৰোপ কৰা পাৰ্থক্যক বুজায়।

*ইংৰাজীৰ দৰে অসমীয়া ভাষাতো তৃতীয় পুৰুষৰ সৰ্বনামৰ দুটা ৰূপ। 'সি' আৰু 'তাই'। কিন্তু, অসমীয়া ভাষাত লিংগ ব্যাকৰণগত নহয় বাবে লিংগৰ পৰিৱৰ্তনে বাক্যৰ গাথনিত কোনো ধৰণৰ প্ৰভাৱ নেপেলায়। অসমীয়াত প্ৰাণীবাচক শব্দৰহে কেৱল লিংগভেদ কৰা হয়। অপ্ৰাণীবাচক শব্দৰ লিংগভেদ কৰা নহয়। কিন্তু উল্লেখযোগ্য কথা হ'ল অপ্ৰাণীবাচক শব্দ ৰূপৰ লগতো পুৰুষৰ লিংগ সাধন হয়।*